# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL (AJBEC)

নুনমাটি, গুৱাহাটী-৭৮১০২০, অসম
Noonmati, Guwahati-781020, Assam

Ph. : 0361-2654229, 9864202080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com


প্ৰসংগ ঃ এজবেক/০৪/১২/২০২২-২৩ — তাৰিখ ঃ ২১-১২-২০২২
Ref : — Date :

## অসম জাতীয় বিদ্যালয়ত 'আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা'ৰ নিয়মাৱলী

**গুৱাহাটী, ২১ ডিচেম্বৰ, ২০২২ :** অসম জাতীয় বিদ্যালয়ত অহা ৩ জানুৱাৰী, ২০২৩ তাৰিখে আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ মূল প্ৰতিযোগিতাখনিৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাখনিৰ নিয়মাৱলী এনে ধৰণৰ—

১। আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ মূল প্ৰতিযোগিতাত জিলা পৰ্য্যায়ৰ প্ৰাৰম্ভিক প্ৰতিযোগিতাত নিৰ্বাচিত প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰিব।

২। আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত বিষয় হৈছে— সদনৰ মতে, 'সামাজিক উত্তৰণৰ বাবে চ'ছিয়েল মিডিয়া এক অপৰিহাৰ্য্য মাধ্যম।' In the opinion of the house 'Social media is an essential platform for social transformation'.

৩। প্ৰতিযোগীসকলে অসমীয়া বা ইংৰাজী যিকোনো মাধ্যমত বক্তব্য আগবঢ়াব পাৰিব।

৪। জিলাভিত্তিক তৰ্ক প্ৰতিযোগিতাৰ নিৰ্বাচিত প্ৰতিযোগীসকলে আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে আহোতে নিজৰ বিদ্যালয়ৰ পৰিচয় পত্ৰ আৰু বিদ্যালয়ৰ মুৰব্বীৰ স্বাক্ষৰ সম্বলিত অনুমতি পত্ৰ লগত অনাটো বাধ্যতামূলক।

৫। প্ৰতিযোগীয়ে নিজ বিদ্যালয়ৰ নিৰ্দ্ধাৰিত পোছাক পৰিধান কৰিব লাগিব।

৬। প্ৰতিখন জিলাৰ পৰা অহা দুগৰাকী প্ৰতিযোগীৰ এগৰাকীয়ে সপক্ষে আৰু আনগৰাকীয়ে বিপক্ষে বক্তব্য আগবঢ়াব লাগিব।

৭। প্ৰতিযোগীসকলে মূল প্ৰতিযোগিতাৰ বাবে কোনো ভৰ্তি মাচুল দিব নালাগে।

৮। মূল প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অহা প্ৰতিগৰাকী প্ৰতিযোগীৰ লগত একোগৰাকী তত্বাৱধায়ক অহাটো বাধ্যতামূলক।

৯। দূৰণিবটীয়া জিলাসমূহৰ পৰা অহা নিৰ্বাচিত প্ৰতিযোগী দুগৰাকী আৰু তেওঁলোকৰ লগত অহা তত্বাৱধায়ক দুগৰাকীৰ অহা-যোৱাৰ খৰচ বহন কৰাৰ লগতে ৰাতি থকা-খোৱাৰ ব্যৱস্থা কৰা হ'ব। ৰাতি থাকিব খোজাসকলে আগতীয়াকৈ মৌচম কুমাৰ ৰাজখোৱাৰ ৯৮৬৪২০২০৮০ ফোন নম্বৰত যোগাযোগ কৰি ৩০ ডিচেম্বৰ, ২০২২ৰ ভিতৰত জনাব লাগিব।

১০। আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকল প্ৰতিযোগিতাৰ দিনা পুৱা ৮.৩০ বজাত নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ চৌহদত উপস্থিত হ'ব লাগিব। পুৱা ৮.৩০ বজাৰ পৰা প্ৰতিযোগীসকলৰ পঞ্জীয়ন আৰম্ভ হ'ব।

১১। প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত প্ৰতিযোগীসকলক নগদ ধন আৰু ট্ৰফীৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ তাৰ্কিকক নগদ ৫ হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক ৪ হাজাৰ টকা আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকক ৩ হাজাৰ টকাৰ পুৰস্কাৰ আগ বঢ়োৱা হ'ব।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়